**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 02-07-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিৰ সৈতে নতুন দিল্লীত বাৰ্ষিক, উচ্চ পৰ্যায়ৰ আলোচনাত মিলিত হ'ব।

২। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কালি ধেমাজিৰ  বান পৰিস্থিতিৰ বুজ লয়।

৩। ভগৱতী নগৰ বেছ কেম্পৰ পৰা অমৰনাথ যাত্ৰীৰ প্ৰথমটো দলৰ যাত্ৰা জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই আজি পুৱা শুভাৰম্ভ কৰে।

৪। ভেনিজুৱেলাৰ ভূমিকম্পৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা দুহেজাৰ ২৯৫ লৈ বৃদ্ধি হৈছে।

*আৰু*

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউট পৰ্যায়ৰ এখন খেলত বেলজিয়ামে ছেনেগালক ৩-২ গ'লত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিৰ সৈতে নতুন দিল্লীত বাৰ্ষিক উচ্চ পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। এই আলোচনাই দুয়ো দেশক দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন দিশ চালিজাৰি চোৱাৰ লগতে সম্পৰ্ক অধিক শক্তিশালী কৰা আৰু পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ সন্দৰ্ভত মত বিনিময়ৰ সুযোগ দিব। আলোচনাকালত দেশ দুখনৰ মাজত কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে তিনিদিনীয়া ভ্ৰমণসূচীৰে জাপানৰ প্ৰধানমন্ত্ৰীগৰাকী কালি বিয়লি নতুন দিল্লীত উপস্থিত হয়। এয়া প্ৰধানমন্ত্ৰী টাকাইচিৰ ভাৰতলৈ প্ৰথম চৰকাৰী ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই ভ্ৰমণে ভাৰত আৰু জাপানৰ বিশেষ কৌশলগত আৰু গোলকীয় অংশীদাৰিত্ব শক্তিশালী কৰাত সহায় কৰিব।

উল্লেখযোগ্য যে ২০২৪ চনৰ নৱেম্বৰত টকিঅ' অনুষ্ঠিত প্ৰথম অৰ্থনৈতিক সুৰক্ষা বিষয়ক আলোচনাত দুয়ো দেশে কৌশলগত অংশীদাৰিত্ব বৃদ্ধিৰ ক্ষেত্ৰত পাঁচটা অগ্ৰাধিকাৰৰ ক্ষেত্ৰ চিনাক্ত কৰিছিল। এই ক্ষেত্ৰসমূহ আছিল ছেমি কণ্ডাক্টৰ, অত্যাৱশ্যকীয় খনিজ পদাৰ্থ, ভেষজ, স্বচ্ছ ইন্ধন, তথ্য আৰু যোগাযোগ প্ৰযুক্তি। শেহতীয়া প্ৰধানমন্তী নৰেন্দ্ৰ মোদীয়ে ফ্ৰান্সত অনুষ্ঠিত জি-ছেভেন শীৰ্ষ সন্মিলনৰ সময়ত জাপানৰ প্ৰধানমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হৈছিল।

ooooo

জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিৰ সৈতে আজি হ'বলগীয়া বিস্তৃত আলোচনাই ভাৰত-জাপান বিশেষ কৌশলগত আৰু গোলকীয় অংশীদাৰিত্ব বৃদ্ধিত সহায় কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে প্ৰধানমন্ত্ৰীয়ে কয়, যে জাপানৰ প্ৰধানমন্ত্ৰীগৰাকী ভাৰতলৈ

প্ৰথম চৰকাৰী ভ্ৰমণত তেওঁক আতিথ্য কৰিবলৈ পাই তেওঁ সুখী হৈছে। দুয়োগৰাকী নেতাৰ যৌথ প্ৰচেষ্টাত ভাৰত আৰু জাপান, ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ লগতে বিশ্বৰ প্ৰেক্ষাপটত শান্তি, সুস্থিৰতা আৰু সমৃদ্ধিৰে উজলি উঠিব বুলি শ্ৰীমোদীয়ে আশা প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কালি ধেমাজিৰ বান পৰিস্থিতিৰ বুজ লয়। অসম আৰু অৰুণাচল প্ৰদেশৰ শেহতীয়া বান পৰিস্থিতি বুজ লোৱাৰ উদ্দেশ্যে উত্তৰ-পূৰ্বাঞ্চললৈ অহা কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে ইটানগৰৰ পৰা পোনে পোনে ধেমাজিৰ চিমেন চাপৰিত হেলিকপ্তাৰযোগে অৱতৰণ কৰে আৰু বান ক্ষতিগ্ৰস্ত অৰুণ চাপৰিৰ এলেকাসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত শ্ৰীচৌহানে বানত ক্ষতিগ্ৰস্ত ৰাইজৰ ক্ষয়-ক্ষতিৰ জৰীপ চলাই শীঘ্ৰেই ক্ষতিপূৰণ আদায় দিয়া হ'ব বুলি আশ্বাস দিয়ে। তেওঁ লগতে বান সমস্যা সমাধানৰ বাবে দীৰ্ঘম্যাদী আঁচনিৰো পোষকতা কৰে।

ইয়াৰ পূৰ্বে শ্ৰীচৌহান আৰু ৰিজিজুৱে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দুৰ সৈতে ৰাজ্যখনৰ বানত ক্ষতিগ্ৰস্ত অঞ্চলসমূহ আকাশমাৰ্গেৰে পৰিদৰ্শন কৰে। দলটোৱে প্ৰথমে পূব ছিয়াং জিলাৰ সৰ্বাধিক ক্ষতিগ্ৰস্ত পাছিঘাট অঞ্চল পৰিদৰ্শন কৰে। ইয়াৰ পাছত তেওঁলোকে বোয়িং গাঁৱৰ বান পৰিস্থিতিৰ বুজ লয়। আকস্মিক বান আৰু ভূমিস্খলনৰ ফলত এই গাঁওখনৰ ২০টাৰো অধিক বাসগৃহ পানীত বুৰ যোৱাৰ লগতে বহু পৰিমাণৰ শস্য আৰু পশুধনৰ হানি হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বানত গৃহহীন হোৱা গাঁওবাসীৰ সৈতে মত-বিনিময় কৰে। তেওঁ এই লোকসকলক কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা আৰ্থিক আৰু আন্তঃগাঁথনিমূলক সাহায্য প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে ৰাজ্যিক প্ৰশাসনৰ সহযোগত উদ্ধাৰ অভিযান শীঘ্ৰেই সম্পন্ন কৰাৰ নিশ্চয়তা প্ৰদান কৰে। ইয়াৰ পাছত তেওঁলোকে নতুনকৈ গঠন হোৱা কেয়ী পান্যৰ জিলাৰ নীপকো ক'লনি পৰিদৰ্শন কৰে।

ooooo

জম্মুৰ ভগৱতী নগৰ বেছ কেম্পৰ পৰা অমৰনাথ যাত্ৰীৰ প্ৰথমটো দলৰ যাত্ৰা জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল তথা অমৰনাথ দেৱোত্তৰ ব'ৰ্ডৰ অধ্যক্ষ মনোজ সিনহাই আজি পুৱা শুভাৰম্ভ কৰে। এইবাৰ ৫৫ হাজাৰ তীৰ্থযাত্ৰীক অমৰনাথ যাত্ৰাৰ সুবিধা দিয়া হ'ব। ৫৭ দিন ধৰি চলিবলগীয়া এই যাত্ৰা কাইলৈ পৰম্পৰাগতভাৱে অনন্তনাগ জিলাৰ নুনৱান পেহেলগাম পথেৰে আৰু গন্দৰবল জিলাৰ চমু বালতাল পথেৰে আৰম্ভ হ'ব। যাত্ৰীসকলৰ থকা-খোৱা, অনাময়, স্বাস্থ্যসেৱা, পৰিবহণকে ধৰি সকলো দিশতে দৃষ্টি কৰা হৈছে। তীৰ্থযাত্ৰীসকলে ৪৪ নম্বৰ জম্মু-কাশ্মীৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে যাত্ৰা কৰিব লাগিব। বিকল্প পথ যেনে মোগল ৰোড আৰু ধাৰ ৰোডেৰে যাত্ৰাৰ সুবিধা দিয়া নহ'ব। পুৱা ৬ বজাৰ পৰা ৮ বজাৰ ভিতৰত লখনপুৰত উপস্থিত হোৱা যাত্ৰীসকলক সুৰক্ষাৰ সৈতে জম্মুলৈ আগবঢ়াই নিয়া হ'ব। আনহাতে পলমকৈ উপস্থিত হোৱা লোকসকলে নিৰাপত্তাজনিত নীতি-নিৰ্দেশনা মানি অপেক্ষা কৰিব লাগিব।

ooooo

ভেনিজুৱেলাৰ ৰাষ্ট্ৰীয় সংসদৰ অধ্যক্ষ জৰ্জ ৰ'দ্ৰিগজে কৈছে যে দেশখনত হোৱা ভূমিকম্পৰ ফলত মৃত লোকৰ সংখ্যা দুহেজাৰ ২৯৫ লৈ বৃদ্ধি হৈছে। আনহাতে ১১ হাজাৰতকৈ অধিক লোক আহত হৈছে। অগা-পিছাকৈ হোৱা দুটা ভূমিকম্পৰ ফলত কমেও ১৩ হাজাৰ লোক গৃহহীন হৈছে বুলি অধ্যক্ষগৰাকীয়ে কয়। তেওঁ কয়, যে এটা শতিকাৰ ভিতৰত দেশখনত কেইবাটাও শক্তিশালী ভূমিকম্প সংঘটিত হৈছে।

আৰদ্ধসকলক উদ্ধাৰৰ বাবে অভিযান অব্যাহত আছে বুলিও তেওঁ জানিবলৈ দিয়ে। ইপিনে ভেনিজুৱেলাৰ অন্তৰ্বৰ্তীকালীন ৰাষ্ট্ৰপতি ডেলচি ৰ'দ্ৰিগজে প্ৰলয়ংকাৰী ভূমিকম্পৰ ফলত দুই সহস্ৰাধিক লোকৰ প্ৰাণহানিৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত দেশখনত কালিৰে পৰা ৭ দিনৰ বাবে শোক ঘোষণা কৰিছে। উল্লেখযোগ্য যে দক্ষিণ আমেৰিকাৰ ৰাষ্ট্ৰখনত যোৱা ২৫ জুনত ৭ দশমিক ২ আৰু ৭ দশমিক ৫ প্ৰাবল্যৰ দুটা শক্তিশালী ভূমিকম্পৰ জোকাৰণি অনুভূত হৈছিল। ইয়াৰ ফলত অসংখ্য বাসগৃহ আৰু প্ৰতিষ্ঠান ধবংস হৈছিল।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কালি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত ডেংগু ৰোগ প্ৰতিৰোধৰ প্ৰস্তুতিৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা পৰ্যালোচনা কৰে। বৈঠকত স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰ আৰু পৌৰ নিকায়সমূহক প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ এই ৰোগ প্ৰতিৰোধৰ বাবে নিৰ্বাচিত জনপ্ৰতিনিধি, ৱাৰ্ড কমিছনাৰকে ধৰি সংশ্লিষ্টসকলক কাৰ্যকৰী ব্যৱস্থা ল'বলৈও পৰামৰ্শ দিয়ে। কালিৰ বৈঠকত স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে দেশত বিশেষকৈ ৰাজধানী দিল্লীত ডেংগুৰ প্ৰাদুৰ্ভাৱ সন্দৰ্ভত অৱগত কৰা হয়।

০০০০০

মণিপুৰত কালি কেন্দ্ৰীয় চৰকাৰৰ 'এক পেড় মা কে নাম' অভিযানৰ সৈতে সংগতি ৰাখি ৭৭ সংখ্যক **বন মহোৎসৱ**ৰ শুভাৰম্ভ কৰা হয়। ইম্ফলৰ পূব জিলাত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত ৰাজ্যখনৰ প্ৰধান মুখ্য বন সংৰক্ষক আৰু বন বিভাগৰ মুৰব্বী অনুৰাগ বাজপেয়ীয়ে কাৰ্যসূচী শুভাৰম্ভ কৰে। এই উপলক্ষে ৰাজ্যজুৰি সেউজ আৱৰণ সৃষ্টিৰ লক্ষ্যৰে গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীবাজপেয়ীয়ে মণিপুৰক সেউজ কৰি তোলাৰ লগতে বনাঞ্চল সংৰক্ষণৰ বাবে জনসাধাৰণৰ ব্যাপক অংশগ্ৰহণ আৰু সহযোগিতা কামনা কৰে। তেওঁ কয়, যে বনাঞ্চলক লৈ এই উদযাপনে প্ৰকৃতিক সুন্দৰ ৰূপত ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাৰ প্ৰতি দায়বদ্ধতাৰ সৃষ্টি কৰে। ৰাজ্যখনত বন মহোৎসৱ সপ্তাহত ১৫ লাখ গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। বিভিন্ন চৰকাৰী বিভাগ, কৃষক, নাগৰিক সমাজ, ছাত্ৰ-ছাত্ৰী আৰু সংগঠনৰ সহযোগত গছপুলি ৰোপণৰ কাৰ্যসূচী লোৱা হৈছে। অসমতো কালি বন মহোৎসৱ সপ্তাহৰ শুভাৰম্ভ কৰা হয়।

০০০০০

ফিফা বিশ্বকাপ ফুটবলত নকআউট পৰ্যায়ৰ এখন খেলত বেলজিয়ামে ছেনেগালক ৩-২ গ'লত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে কালি নিশা আটলাণ্টাত কংগোৰ বিৰুদ্ধে ৰাউণ্ড অব 32-ৰ আন এখন খেলত হেৰি কেনে শেষৰ ১৫ মিনিটৰ ভিতৰত দুটা গ'ল দি ইংলেণ্ডক উদ্ধাৰ কৰে। এই জয়ৰ জৰিয়তে ইংলেণ্ডে ৰাউণ্ড অব 16-ত প্ৰৱেশ কৰিছে। ইয়াৰ পাছত দলটোৱে অহা ৬ জুলাইত সহ-আয়োজক মেক্সিকোৰ বিৰুদ্ধে খেলিব। আজি পুৱা চাৰে ৫ বজাত কেলিফৰ্ণিয়াত আয়োজিত নকআউট পৰ্যায়ৰ আন এখন খেলত সহ-আয়োজক আমেৰিকাই বছনিয়া আৰু হাৰ্জেগোভিনাৰ বিৰুদ্ধে খেলি আছে। ইয়াৰ পূৰ্বে মেক্সিকো চিটি ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত মেক্সিকোৱে ইকুৱেডৰক ২-০ গ'লত পৰাস্ত কৰি ৰাউণ্ড অব 16-ৰ বাবে যোগ্যতা অৰ্জন কৰে। টেক্সাছত আইভৰি ক'ষ্টক ২-১ গ'লত পৰাস্ত কৰি নৰৱেই আৰু ছুইডেনক ৩-০ পৰাস্ত কৰি ফ্ৰান্সেও ৰাউণ্ড অব 16-ত প্ৰৱেশ কৰিছে।

০০০০০

টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত কালি চেষ্টাৰ-লে-ষ্ট্ৰীটত বৰষুণৰ বাবে ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত হোৱা প্ৰথমখন মেচ অমীমাংসিত হৈ ৰয়। প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈ মেচখনত ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৮৯ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক শ্ৰেয়াছ আয়াৰে ৪৭টা বলত সৰ্বাধিক ৬৮ ৰান সংগ্ৰহ কৰে। অ'পেনিং বেটছমেন অভিষেক শৰ্মাই ৫৯ ৰান আৰু শিৱম ডুবেই ৪২ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইংলেণ্ডৰ হৈ ছাকিব মাহমুদে ৩টা উইকেট দখল কৰে। অৱশ্যে আয়োজক ইংলেণ্ডে প্ৰতিকুল বতৰৰ বাবে দ্বিতীয় ইনিংছত বেটিং কৰাৰ সুযোগ লাভ নকৰিলে। ইয়াৰ পাছত দুয়োটা দলে শনিবাৰে মানচেষ্টাৰত হ'বলগীয়া পাঁচখনীয়া শৃংখলাৰ দ্বিতীয়খন টি-২০ত মেচত মুখামুখি হ'ব। শৃংখলাৰ তৃতীয়খন মেচ ৭ জুলাইত নটিংহামত অনুষ্ঠিত হ'ব। অহা ১১ জুলাইত সমাপ্ত হ'বলগীয়া অন্তিম দুখন মেচ ব্ৰিষ্টল আৰু চাউথমপটনত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত